**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 05-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

## *Headlines*

১। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে শাসনাধিষ্ঠিত বিজেপিয়ে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। ৰূপহীহাটত নগাঁও জিলা প্ৰশাসনৰ উচ্ছেদ অভিযান।

৩। আইজলত মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ' আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ যুটীয়া অভিযানত বুজন পৰিমাণৰ মাদকদ্ৰব্য সহ ৮ জন সৰবৰাহকাৰীক আটক।

আৰু

৪। ডিমা হাচাওত আজি অসম ক্ৰিকেট সন্থাৰ প্ৰথমখন ষ্টেডিয়াম মুকলি।

0000000

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে শাসনাধিষ্ঠিত বিজেপিয়ে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তামুলপুৰত কালি সাংবাদিকৰ আগত এই কথা সদৰি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তেওঁৰ অসম ভ্ৰমণৰ সময়ত ২০২৬-ৰ বিধানসভা নিৰ্বাচনৰ বাবে দলটোৱে প্ৰস্তুত কৰা ৰূপৰেখা চূড়ান্ত কৰিব। বি টি চি অঞ্চলত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি এতিয়ালৈকে আৰম্ভ হোৱা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অৱশ্যে ৰাজ্যৰ বাকী অঞ্চলসমূহৰ বাবে প্ৰস্তুতি চূড়ান্ত হৈছে।

0000000

————নগাঁও জিলা প্ৰশাসনে আজি ৰূপহীহাট থানাৰ অন্তৰ্গত ভকতগাঁৱত দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ চলাইছে। প্ৰশাসনে ৪ খন বুলডজাৰৰ সহায়ত প্ৰায় ৩৮ বিঘা ভূমিত অবৈধভাৱে বাস কৰা ৭৫টা পৰিয়ালক উচ্ছেদ কৰাৰ বাবে অভিযান চলাইছে। এই উচ্ছেদ অভিযান যাতে সুচাৰুৰূপে সম্পন্ন হয়, তাৰবাবে আৰক্ষী, অৰ্ধসামৰিক বাহিনী সাজু কৰি ৰখা হৈছে। জিলা প্ৰশাসনে দখলীকৃত ভূমি খালী কৰাৰ বাবে প্ৰেৰণ কৰা জাননী লাভৰ পাছতে একাংশ পৰিয়ালে ইতিমধ্যে সেই ঠাই এৰি আঁতৰি গৈছে। আজি বাকী থকা পৰিয়ালসমূহক উচ্ছেদ কৰা হ'ব। এই সন্দৰ্ভত সবিশেষ জনাইছে নগাঁৰৰ পৰা আমাৰ সংবাদদাতা মুনীন্দ্ৰ কুমাৰ শইকীয়াই–

বাইট

000000

মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ' আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে মিজোৰামৰ আইজলৰ সমীপত অভিযান চলাই যোৱা বুধবাৰে প্ৰায় ৬ কেজি মেথামফেটামাইনৰ লগতে ৮ জন সৰবৰাহকাৰীক আটক কৰে। ইয়াৰে জবৰুল হক নামৰ কৰিমগঞ্জৰ নিবাসীজন এই মাদকদ্ৰব্য সৰবৰাহ চক্ৰৰ মূল অভিযুক্ত বুলি আৰক্ষীয়ে

প্ৰকাশ কৰিছে। এই লোকজনৰ বিৰুদ্ধে তিনিটা গোচৰ ইতিমধ্যে ৰুজু হৈ আছে বুলি আৰক্ষীয়ে জনাইছে। প্ৰাৰম্ভিক তদন্ত অনুসৰি মাদকদ্ৰব্যখিনি চম্ফাইৰ সমীপৰ ভাৰত-ম্যানমাৰ সীমান্তয়েদি সোণামূৰালৈ লৈ যোৱা হৈছিল। উল্লেখযোগ্য যে ৰাজ্যিক কৰ্তৃপক্ষৰ সৈতে উন্নত সহযোগিতা তথা গুৰুত্বপূৰ্ণ অভিযানৰ পৰিপ্ৰেক্ষিতত মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ'ই গুৱাহাটীত এটা নতুন আঞ্চলিক কাৰ্যালয় স্থাপন কৰিছে। ইটানগৰ, শিলিগুৰি আৰু আগৰতলাতো একোটাকৈ নতুন মাণ্ডলিক কাৰ্যালয় স্থাপন কৰা হৈছে। তদুপৰি আইজল আৰু ডিমাপুৰত ক্ষেত্ৰ বিষয়াৰ কাৰ্যালয় স্থাপন কৰা হৈছে।

০০০০০০০

ৰাজ্যজুৰি বিস্তৃত কাৰ্যসূচীৰে অহা ১০ ডিচেম্বৰত ছহিদ দিৱস পালন কৰা হ'ব। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সেইদিনা গুৱাহাটীৰ বৰাগাঁৱত অসম আন্দোলনৰ ছহিদসকলৰ স্মৃতিত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ উদ্বোধন কৰিব। পূৰ্বতে গৃহমন্ত্ৰী অমিত শ্বাহ এই কাৰ্যসূচীলৈ অহাৰ কথা আছিল যদিও এতিয়া স্মাৰক ক্ষেত্ৰ উদ্বোধনী অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী উপস্থিত থাকিব বুলি ৰাজ্য চৰকাৰৰ সূত্ৰত প্ৰকাশ। এই অনুষ্ঠানৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুতি পূৰ্ণগতিত অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি সন্মান জনাই তেওঁলোকৰ স্মৃতি সংৰক্ষণৰ লক্ষ্যৰে এই ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰেক্ষাগৃহ, প্ৰাৰ্থনা গৃহ, চাইকেল ট্ৰেক, আদিৰ উপৰি অসম আন্দোলন তথা ৰাজ্যখনৰ বুৰঞ্জীৰ বিভিন্ন ঘটনা প্ৰবাহক সামৰি শব্দ আৰু পোহৰৰ বিশেষ প্ৰদৰ্শনীৰো ব্যৱস্থা থাকিব।

জিলা আৰু সম জিলা মুখ্য কাৰ্যালয়সমূহতো সকলো স্তৰৰ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণেৰে ছহিদ দিৱস পালন কৰা হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগৰ উদ্যোগত আজি গুৱাহাটীৰ ভূমি সংৰক্ষণ সঞ্চালকালয়ৰ চৌহদত বিশ্ব ভূমি দিৱস উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হৈছে। অনুষ্ঠানত ভূমি সংৰক্ষণ আদি বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত অৰণ্য মানৱ হিচাপে খ্যাত যাদৱ পায়েঙে ভূমি সংৰক্ষণৰ প্ৰয়োজনীয়তা তথা এই ক্ষেত্ৰত জনসাধাৰণৰ কৰণীয় সন্দৰ্ভত ভাষণ দিয়ে।

০০০০০০

দৰং জিলা পৰিবহন বিভাগৰ উদ্যোগত আজি জিলাখনৰ ঠায়ে ঠায়ে বেনাৰ, পোষ্টাৰ আদি লগাই পথ সুৰক্ষা সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। শীতৰ প্ৰকোপ  বৃদ্ধিৰ লগে লগে ঘন কুঁৱলিৰ ফলত পথসমূহত প্ৰায়ে দুৰ্ঘটনা সংঘটিত হয়। এনে সময়তে বন ভোজৰ দলসমূহৰো বহু গাড়ী দুৰ্ঘটনাত পতিত হোৱা দেখা যায়। সেয়েহে জিলাখনৰ পৰিবহন বিষয়াসকলে এন্ধাৰ হোৱাৰ লগে লগে বাহনসমূহত ফগলাইট জ্বলোৱা, পথৰ কাষত গাড়ী পাৰ্ক নকৰা, গাড়ীৰ গতিবেগ নিয়ন্ত্ৰিত কৰি ৰখা, চিটবেল্ট বা হেলমেট পৰিধান কৰা- আদি বিষয়ৰ প্ৰতি চালকসকলক সচেতন কৰি তোলাৰ উদ্দেশ্যে এই সজাগতা কাৰ্যসূচী গ্ৰহণ কৰিছে। এই সন্দৰ্ভত জিলাখনৰ এগৰাকী পৰিবহন বিষয়াই আমাৰ সংবাদদাতাক এইদৰে জনাইছে।

**বাইট ঃ পৰিবহন বিষয়া**

০০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কালি সন্ধিয়া নতুন দিল্লীত উপস্থিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। আজি পুৱা ৰাষ্ট্ৰপতি ভৱনত ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। তাৰ পাছত পুটিনে ৰাজঘাটত মহাত্মা গান্ধীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পুটিনৰ সন্মানাৰ্থে ভোজমেলৰ আয়োজন কৰিছে। আজিৰ এই অভ্যৰ্থনা অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকে।

আনহাতে, আজি হায়দৰাবাদ হাউছত শ্ৰীমোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকী আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰিব। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণৰ সময়ত বাণিজ্য, অৰ্থনীতি, স্বাস্থ্য যতন, শিক্ষা, সংস্কৃতি আদিকে ধৰি বিভিন্ন খণ্ডত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে।

ooooo

প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ডিমা হাচাওৰ উমৰাংছ'ত আজি অসম ক্ৰিকেট সন্থাৰ উদ্যোগত নিৰ্মাণ কৰা জিলাখনৰ প্ৰথমখন ষ্টেডিয়াম মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ষ্টেডিয়ামখন মুকলি কৰিব। সকলো প্ৰকাৰৰ প্ৰয়োজনীয় সুবিধাৰে সমৃদ্ধ এই ষ্টেডিয়ামত ১৫ হাজাৰ দৰ্শকে একেলগে খেল উপভোগ কৰিব পাৰিব। প্ৰায় ৩০ বিঘা ভূমিত নিৰ্মাণ কৰা ষ্টেডিয়ামখনত পাঁচখন পিট্‌ছ, এটা আধুনিক পেভেলিয়ন আৰু অন্যান্য উন্নত সুবিধাসমূহ খেলুৱৈসকলে লাভ কৰিব। এই ষ্টেডিয়ামে ক্ৰীড়াৰ ক্ষেত্ৰত জিলাখনক আগবঢ়াই নিয়াৰ লগতে পৰ্যটনৰ ক্ষেত্ৰতো সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে।

ooooooo

ৰাজ্যৰ কৃষিক্ষেত্ৰৰ সম্ভাৱনা আৰু কৃষকলৈ সা-সুবিধা সন্দৰ্ভত আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম বীজ আৰু জৈৱিক প্ৰমাণিকৰণ অভিকৰণৰ প্ৰাক্তন সঞ্চালক তথা প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক মৌচম হাজৰিকা আৰু সোণাপুৰ চক্ৰৰ কৃষি উন্নয়ন বিষয়া সুপ্ৰিয়া বৰাই অংশ ল'ব। অনুষ্ঠানত কেইবাগৰাকীও কৃষকে নিজৰ অভিজ্ঞতা বিনিময় কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

ooooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত শিৱসাগৰ জিলাৰ আমগুৰি উন্নয়ন খণ্ডত ৰূপায়িত চৰকাৰৰ ধ্বজাবাহী আঁচনিসমূহৰ ৰূপায়ণ সন্দৰ্ভত আমগুৰি খণ্ড উন্নয়ন বিষয়া ৰাতুল গগৈৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ শিৱসাগৰ জিলাৰ সংবাদদাতা মুজাহিদ আলীয়ে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

ooooooo

**সমাপ্ত**